**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-09-2024
**Time :** 07-55 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

## Headlines

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অনাগত উৎসৱৰ বতৰত জনসাধাৰণক স্থানীয়ভাৱে তৈয়াৰী সামগ্ৰী ক্ৰয় কৰিবলৈ আহ্বান জনাইছে। আকাশবাণীৰ মন কি বাত অনুষ্ঠানত কালি প্ৰধানমন্ত্ৰীয়ে আহ্বান জনায়। চাকৰি তথা কৰ্মসংস্থাপনৰ পৰিৱৰ্তিত পৰিস্থিতিৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি তেওঁ কয় যে, নতুনকৈ উন্মোচিত সেৱা আৰু উৎপাদন খণ্ডসমূহৰ প্ৰয়োজন অনুসৰিও চাকৰিৰ প্ৰকাৰ সলনি হৈছে। ভাৰতত উদ্ভাৱিত সামগ্ৰী তথা ধাৰণাৰ আধাৰত সৃজনীশীলতা বিকাশৰ লক্ষ্যৰে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে ২৫ টা প্ৰত্যাহ্বানমূলক কাম আৰম্ভ কৰিছে বুলি তেওঁ মন্তব্য কৰে। শ্ৰীমোদীয়ে সৃষ্টিশীল লোকসকলক ইয়াত অংশগ্ৰহণ কৰিবলৈ আহ্বান জনায়। স্বচ্ছ ভাৰত অভিযানৰ সাফল্যত আলোকপাত কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে, ২ অক্টোবৰত এই অভিযানৰ ১০ বছৰ সম্পূৰ্ণ হ'ব। তেওঁ কয় যে, বৰ্তমান দেশবাসী আৱৰ্জনা হ্ৰাস, পুনৰ ব্যৱহাৰ আৰু নৱীকৰণৰ বিষয়ে নিজে সচেতন হোৱাৰ লগতে বিশ্বতো এই সন্দৰ্ভত সজাগতা সৃষ্টি কৰিছে। এই অভিযানৰ ধাৰাবাহিকতা ৰক্ষা কৰি স্বচ্ছ ভাৰত মিছনক এটা গণ আন্দোলনলৈ ৰূপান্তৰ কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে দেশবাসীক আহ্বান জনায়। স্বচ্ছতাৰ বাবে সমগ্ৰ জীৱন উৎসৰ্গা কৰি যোৱা মহাত্মা গান্ধীলৈ তেওঁ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

0000000

মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত বাছনি লাভ কৰা ২৫ হাজাৰ ২৩৮ গৰাকী উদ্যোগীলৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আজি হ'বলগীয়া এটা বিশেষ অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ বচা বচা কেইগৰাকীমান উদ্যোগীক আনুষ্ঠানিকভাৱে ইয়াৰ প্ৰথমটো কিস্তি প্ৰদান কৰিব। অনুষ্ঠানত ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰা উপস্থিত থকাৰ কথা। এই অভিযানৰ যোগেদি ৰাজ্যৰ নিবনুৱা সমস্যা হ্ৰাস কৰাৰ উপৰি ঔদ্যোগিকীকৰণৰ পৰিৱেশ সৃষ্টি কৰাৰ প্ৰয়াস কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। এই আঁচনিৰ যোগেদি নৱপ্ৰজন্মক স্বাৱলম্বী হ'ব পৰাকৈ আৰ্থিক অনুদান, প্ৰশিক্ষণ আৰু বিপণনৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই অভিযানৰ অধীনত কৃষি আৰু উদ্যান শস্য, পেকেজিং, বৃত্তিমূলক শিক্ষাৰে স্বনিয়োজন, মীন পালন, বাঁহ, ৰবৰ, অগৰু আদি ৰোপণ, কাগজ, কলম তথা লেখন সামগ্ৰীৰ ব্যৱসায়, কাঠভিত্তিক উদ্যোগ, পশুধন, সেৱা আৰু অন্যান্য খণ্ডৰ যোগ্য বিবেচিত উদ্যোগীলৈ ২ লাখ টকাৰ পৰা ৫ লাখ টকা পৰ্যন্ত সাহায্য আগবঢ়োৱা হ'ব।

0000000

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান সাধাৰণ পৰ্যটকৰ বাবে কাইলৈ মুকলি কৰা হ'ব। ইয়াৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল

জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামটি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। কাইলৈ উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বাট-পথৰ মেৰামতি তথা আন আভ্যন্তৰীণ কামসমূহ সম্পূৰ্ণ হোৱাৰ পাছতে হাতী ছাফাৰীৰ লগতে পৰ্যটকৰ বাবে অনুমোদিত সকলো অঞ্চল পৰ্যটকে ভ্ৰমণ কৰিব পাৰিব।

0000000

ৰাজ্যৰ বিশিষ্ট সাহিত্যিক কৰবী ডেকা হাজৰিকালৈ ড০ ময়িদুল ইছলাম বৰা সাহিত্য বঁটা আজি আগবঢ়োৱা হ'ব। অৰুণোদয় সাহিত্য সভা আৰু ড০ ময়িদুল ইছলাম বৰা স্মৃতিৰক্ষা সমিতিৰ যুটীয়া উদ্যোগত শিৱসাগৰ প্ৰেছ ক্লাব আৰু ৰংপুৰজ্যোতি ক্লাবৰ সহযোগত শিৱসাগৰত আয়োজিত এটা অনুষ্ঠানত আজি এই বঁটা আগবঢ়োৱা হ'ব। বৰ অসমৰ প্ৰথমজন ডক্টৰেত তথা অসম সাহিত্য সভাৰ প্ৰক্তান সভাপতি ড০ বৰাৰ স্মৃতিত আগবঢ়োৱা এই বঁটা প্ৰদান অনুষ্ঠানত ৰাজ্যৰ সাহিত্য-সংস্কৃতি জগতৰ কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি আমাৰ সংবাদদাতাই জানিবলৈ দিছে।

0000000

ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত অহা ১৩ নৱেম্বৰত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ আৰম্ভ হ'ব। বিগত বৰ্ষৰ বিশেষ সাফল্যৰ পাছত এই বছৰো তৃণমূল পৰ্যায়ৰ প্ৰতিযোগীৰ অংশগ্ৰহণ, ন ন প্ৰতিযোগী সৃষ্টি তথা ক্ৰীড়াৰ ক্ষেত্ৰত ৰাজ্যক আগবঢ়াই নিয়াৰ লক্ষ্যৰে এই প্ৰতিযোগিতাখনৰ আয়োজন কৰা হৈছে। এথলেটিকছ, ফুটবল, কাবাডী, ভলীবল, দবা খেল, সাঁতোৰ, চাইকেল চলোৱা আদিকে ধৰি কেইবাটাও শাখাত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এইবাৰৰ খেল মহাৰণত কেইবা বিধো নতুন খেল অন্তৰ্ভুক্ত কৰা হৈছে। ইয়াৰ বাবে আজিৰ পৰা পঞ্জীয়ন আৰম্ভ হ'ব। অংশগ্ৰহণকাৰীসকলে **খেল মহাৰণ এপ** অথবা www.dsywassam.com/khel ৱেবছাইটত গৈ পঞ্জীয়ন কৰিব পাৰিব।

0000000

চলিত বৰ্ষৰ HOCKEY INDIA JUNIOR WOMEN NATIONAL CHAMPIONSHIP আজি ঝাৰখণ্ডৰ ৰাঁচীত আৰম্ভ হ'ব। এই প্ৰতিযোগিতাত মুঠ ২৬টা দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলৰ খেলসমূহ ৭ অক্টোবৰৰ পৰা আৰু ছেমি ফাইনেলৰ খেলসমূহ ৯ অক্টোবৰ অনুষ্ঠিত হ'ব।

0000000

**সমাপ্ত**